**2015**

( November )

COMMERCE

( General / Speciality )

Course : 103

**( Financial Accounting )**

*The figures in the margin indicate full marks for the questions*

( New Course )

*Full Marks* : 80
*Pass Marks* : 24

*Time* : 3 hours

**1.** *(a)* Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰা :

*(i)* Balance Sheet is also known as _____ Statement.

উদ্বৃত্ত পত্ৰখনক _____ বিবৃতি বুলিও জনা যায়।

*(ii)* In hire-purchase system, the buyer charges depreciation on _____ price.

ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰেতাই _____ মূল্যৰ ওপৰত অৱচয় ধাৰ্য কৰে।

www.prepnext.com

*(iii)* Royalty Account is closed by transferring to _____ Account.
_____ হিচাপলৈ প্ৰেৰণ কৰি স্বত্বকৰৰ হিচাপ বন্ধ কৰা হয়।

*(iv)* Branches are generally classified into _____ types.
শাখাসমূহক সাধাৰণতে _____ প্ৰকাৰত বিভক্ত কৰা হয়।

*(b)* Write 'True' or 'False' : 1×4=4

'সঁচা' নে 'মিছা' লিখা :

*(i)* Profit & Loss Account shows the financial position of a concern.
লাভ আৰু লোকচানৰ হিচাপে প্ৰতিষ্ঠান এখনৰ বিত্তীয় অৱস্থাক দেখুৱায়।

*(ii)* Profit on repossession of goods sold on hire-purchase system is a capital profit.
ভাড়া-ক্ৰয় পদ্ধতিত পুনৰ গ্ৰহণ কৰা পণ্যবস্তু বিক্ৰী কৰি আৰ্জিত কৰা লাভক মূলধনী লাভ বুলি কোৱা হয়।

*(iii)* Shortworking is the excess of minimum rent over actual royalty.
ঘাটি উৎপাদন হৈছে প্ৰকৃত স্বত্বকৰতকৈ নিম্নতম খাজনাৰ বৰ্দ্ধিত অংশটো।

*(iv)* In Departmental Accounts, each department is considered as a separate profit centre.
বিভাগীয় হিচাপত প্ৰতিটো বিভাগকে একোটা পৃথক লাভ কেন্দ্ৰ বুলি বিবেচনা কৰা হয়।



**2.** Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো চাৰিটা) :

*(a)* Accounting Standard Board set up in India
ভাৰতবৰ্ষত প্ৰতিষ্ঠিত হিচাপ-বিদ্যা মানক পৰিষদ

*(b)* Termination of hire-purchase agreement
ভাড়া-ক্ৰয় চুক্তিৰ বাতিলকৰণ

*(c)* Goods-in-transit
গন্তব্যপথত থকা পণ্যবস্তু

*(d)* Principles of allocation of common expenses among departments
বিভাগসমূহৰ মাজত সাধাৰণ খৰচসমূহৰ আবন্টন কৰা নীতিসমূহ

*(e)* Shortworkings
ঘাটি উৎপাদন

**3.** *(a)* What do you mean by 'Accounting Standards'? Mention the procedure for issuing Accounting Standards. Distinguish between Accounting Standards and Accounting Principles. 2+6+6=14

'হিচাপ-বিদ্যাৰ মানক' বুলিলে কি বুজা? হিচাপ-বিদ্যাৰ মানক প্ৰণয়নৰ প্ৰক্ৰিয়া উল্লেখ কৰা। হিচাপ-বিদ্যাৰ মানক আৰু হিচাপ-বিদ্যাৰ নীতিসমূহৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

www.prepnext.com

*Or / অথবা*

*(b)* The following is the Trial Balance of Ajay and Bijay, a partnership firm as on 31st March, 2015 :

অজয় আৰু বিজয়ৰ এটা অংশীদাৰী প্ৰতিষ্ঠানৰ 2015 চনৰ 31 মাৰ্চত উদ্বৃত্ত মিলনপত্ৰ তলত দিয়া হ'ল :

*Trial Balance / উদ্বৃত্ত মিলনপত্ৰ*

| *Debit Balances* *ডেবিট স্থিতিসমূহ* | ₹ টকা | *Credit Balances* *ক্ৰেডিট স্থিতিসমূহ* | ₹ টকা |
|---|---|---|---|
| Opening Stock প্ৰাৰম্ভিক সম্ভাৰ | 24,500 | General Reserve সাধাৰণ পুঁজি | 38,000 |
| Machinery যন্ত্ৰপাতি | 50,000 | Reserve for Doubtful Debts সন্দেহজনক ঋণ পুঁজি | 500 |
| Purchases (adjusted) ক্ৰয় (সংযোজিত) | 1,30,000 | Sales বিক্ৰী | 2,35,000 |
| Salary দৰমহা | 10,000 | Sundry Creditors বিবিধ পাওনাদাৰ | 33,700 |
| Wages মজুৰি | 14,000 | Ajay's Loan (Taken on 01.10.2014) অজয়ৰ ঋণ (01.10.2014 তাৰিখে লোৱা) | 8,000 |
| Buildings ভৱন | 60,000 | Bills Payable দেয় বিল | 9,350 |
| Insurance বীমা | 500 | Bad Debts Recovered অনুদ্ধাৰণীয় ঋণ উদ্ধাৰ | 450 |



| *Debit Balances* *ডেবিট স্থিতি* | ₹ টকা | *Credit Balances* *ক্ৰেডিট স্থিতি* | ₹ টকা |
|---|---|---|---|
| Freight মাল ভাড়া | 3,000 | Capital : মূলধন : | |
| Conveyance যাতায়াত ব্যয় | 1,400 | Ajay অজয় | 30,000 |
| Carriage Inwards ক্ৰয়জনিত পৰিবহণ | 3,850 | Bijay বিজয় | 20,000 |
| House Rent ঘৰভাড়া | 2,400 | | |
| Returns Inward বিক্ৰয় ফিৰৎ | 1,600 | | |
| Carriage Outwards বহিৰ্বহন ব্যয় | 2,400 | | |
| Sundry Debtors বিবিধ দেনাদাৰ | 18,000 | | |
| Bills Receivable প্ৰাপ্য বিল | 5,250 | | |
| Cash in Hand নগদ হাতে জমা | 2,300 | | |
| Drawings : আহৰণ : | | | |
| Ajay অজয় | 3,600 | | |
| Bijay বিজয় | 4,200 | | |
| Closing Stock সামৰণি মজুত পণ্য | 38,000 | | |
| | 3,75,000 | | 3,75,000 |

www.prepnext.com

Prepare a Trading and Profit & Loss Account for the year ended 31st March, 2015 and a Balance Sheet as on that date taking into consideration the following information : 4+5+5=14

তলৰ তথ্যসমূহ বিবেচনা কৰি 2015 চনৰ 31 মাৰ্চ তাৰিখে অন্ত পৰা বছৰটোৰ বাবে ক্রয়-বিক্রয়ৰ হিচাপ, লাভ-লোকচানৰ হিচাপ আৰু সেই তাৰিখত উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰি দেখুওৱা :

*(i)* On 29.02.2015, a fire broke out in the godown and goods worth ₹ 7,000 were destroyed, goods being insured, the insurance company admitted a claim for ₹ 6,000

29.02.2015 তাৰিখে গুদামত অগ্নিকাণ্ড সংঘটিত হ'ল আৰু 7,000 টকাৰ পণ্যবস্তু নষ্ট হ'ল। বীমা কৰা আছিল যদিও বীমা কোম্পানীয়ে 6,000 টকাৰ দাবীহে গ্ৰাহ্য কৰে

*(ii)* Reserve for Doubtful Debts is to be maintained at 5% of Sundry Debtors

বিবিধ দেনাদাৰৰ ওপৰত 5 শতাংশ সন্দেহজনক ঋণ পুঁজিৰ ব্যৱস্থা ৰাখিব লাগে



4. *(a)* What is 'hire-purchase system'? What are its important features? Distinguish between hire-purchase system and instalment-purchase system. 3+5+6=14

'ভাড়া-ক্রয় পদ্ধতি' কি? ইয়াৰ আৱশ্যকীয় বৈশিষ্ট্যসমূহ কি কি? ভাড়া-ক্রয় পদ্ধতি আৰু কিস্তি-ক্রয় পদ্ধতিৰ মাজত থকা পাৰ্থক্যসমূহ উল্লেখ কৰা।

*Or/ অথবা*

*(b)* Nikhil purchased a machine on hire-purchase system for ₹ 1,12,000. Down payment is to be made ₹ 30,000 and the remaining part is to be paid in three instalments of ₹ 30,000 each at the end of each year. Rate of interest is charged at 5% per annum and Nikhil is depreciating the machine at 10% per annum on written-down value method.

Because of financial difficulties, Nikhil after having paid down payment of ₹ 30,000 and first instalment at the end of first year, could not pay second instalment and the seller took possession of the machine. Seller after spending ₹ 1,700 on repairs, sold it away for ₹ 62,000.

Show the Ledger Accounts in the books of Nikhil and the seller to record the transactions. 4+4+4+2=14

www.prepnext.com

নিখিলে 1,12,000 টকাৰ এটা মেচিন ভাড়া-ক্রয় পদ্ধতিত ক্রয় কৰিছিল। মেচিন ক্রয়ৰ লগে লগে তাৎক্ষণিক নগদ 30,000 টকা আৰু বাকী টকা প্রতি বছৰৰ শেষত 30,000 টকাৰ তিনিটা কিস্তিত পৰিশোধ কৰিব লাগে। সুদৰ হাৰ বছৰি 5% আৰু নিখিলে বছৰি 10% হাৰত ক্রমহ্রাসমান পদ্ধতিত অৱচয় ধাৰ্য কৰিব।

নিখিলৰ আৰ্থিক অসুবিধাৰ বাবে তাৎক্ষণিক 30,000 টকা আৰু প্রথম বছৰৰ কিস্তি দিয়াৰ পাছত দ্বিতীয়টো কিস্তি পৰিশোধ কৰিব নোৱাৰাৰ বাবে বিক্রেতাই মেচিনটো অধিগ্রহণ কৰে। বিক্রেতাই মেচিনটো 1,700 টকাত মেৰামতি কৰি, মেচিনটো 62,000 টকাত পুনৰ বিক্রী কৰে।

উক্ত বিৱৰণৰ পৰা নিখিল আৰু বিক্রেতাৰ বহীত খতিয়ান হিচাপ প্রস্তুত কৰা।

**5.** *(a)* *(i)* What do you mean by 'branch' and 'department'? 2+2=4

'শাখা' আৰু 'বিভাগ' বুলিলে কি বুজা?

*(ii)* Distinguish between Branch Accounts and Departmental Accounts. 5

শাখা হিচাপ আৰু বিভাগীয় হিচাপৰ মাজত থকা পাৰ্থক্যসমূহ উল্লেখ কৰা।

*(iii)* How are the inter-departmental transactions recorded in Departmental Accounts? 5

বিভাগীয় হিচাপত আন্তঃবিভাগীয় লেনদেনসমূহ কেনেদৰে লিপিবদ্ধ কৰা হয়?



*Or/ অথবা*

*(b)* The Lakhimpur Head Office supplies goods to its branch at Jorhat at cost. The branch sells the goods for cash and on credit and remits the proceeds to the Head Office promptly. The branch expenses being met by the Head Office by cheque. The following are the transactions relating to the branch for the year ended 31st March, 2015 :

লখীমপুৰৰ মুখ্য কাৰ্যালয়ে যোৰহাটত থকা ইয়াৰ শাখালৈ ক্রয়মূল্যত পণ্যবস্তু পঠায়। শাখাই নগদ আৰু বাকীত পণ্যবস্তু বিক্রী কৰি লগে লগে ধনখিনি মুখ্য কাৰ্যালয়লৈ প্রেৰণ কৰে। মুখ্য কাৰ্যালয়ে শাখাৰ খৰচবোৰ ধনাদেশৰ দ্বাৰা আদায় দিয়ে। 2015 চনৰ 31 মাৰ্চ তাৰিখে অন্ত পৰা বছৰটোৰ বাবে শাখাৰ লেনদেনসমূহ তলত উল্লেখ কৰা হ'ল :

| | ₹ (টকা) |
|---|---|
| Stock at branch on 01.04.2014<br>01.04.2014 তাৰিখে শাখাৰ মজুত সম্ভাৰ | 60,000 |
| Debtors at branch on 01.04.2014<br>01.04.2014 তাৰিখে শাখাৰ দেনাদাৰ | 80,000 |
| Goods sent to branch during the year<br>বছৰটোত শাখালৈ প্রেৰিত পণ্যবস্তু | 4,50,000 |
| Total sales at branch (including cash sales ₹ 2,20,000)<br>শাখাৰ মুঠ বিক্রী (নগদ বিক্রী 2,20,000 টকাসহ) | 7,40,000 |

www.prepnext.com

| | ₹ |
|---|---|
| Goods returned by branch<br>শাখাৰ পৰা পণ্যবস্তু ফিৰৎ কৰা হয় | 20,000 |
| Goods returned by customers<br>গ্ৰাহকে পণ্যবস্তু ফিৰৎ কৰে | 20,000 |
| Collection from debtors<br>দেনাদাৰৰ পৰা পোৱা গ'ল | 4,20,000 |
| Discount allowed<br>বাট্টা দিয়া হ'ল | 20,000 |
| Bad debts written off<br>অনুদ্ধাৰণীয় ঋণ অৱলুপ্ত কৰা হ'ল | 10,000 |

Cheque sent by Head Office towards the branch expenses :
শাখাৰ খৰচৰ বাবদ মুখ্য কাৰ্যালয়ে ধনাদেশ পঠায় :

| | | |
|---|---|---|
| Salaries<br>দৰমহা | 50,000 | |
| Rent<br>ভাড়া | 25,000 | |
| Petty expenses<br>ক্ষুদ্ৰ খৰচ | 5,000 | 80,000 |
| Stock at branch on 31.03.2015<br>31.03.2015 তাৰিখে শাখাৰ মজুত সম্ভাৰ | | 90,000 |

Prepare Branch Account and goods sent to Branch Account in the books of Head Office. Also, prepare Branch Debtors Account in a working note. 8+4+2=14

মুখ্য কাৰ্যালয়ৰ বহীত শাখাৰ হিচাপ আৰু শাখালৈ পঠোৱা পণ্যবস্তুৰ হিচাপ প্ৰস্তুত কৰা। কাৰ্যকৰী টোকাত শাখাৰ দেনাদাৰৰ হিচাপো দেখুওৱা।



6. (a) (i) What is 'minimum rent' in Royalty Account? Why is it important in Royalty Account? 3+3=6

স্বত্বকৰ হিচাপত 'নিম্নতম খাজনা' কি? স্বত্বকৰৰ হিচাপত ইয়াৰ গুৰুত্বৰ কাৰণ কি?

(ii) What conditions are to be satisfied for recoupment of shortworkings? 4

ঘাটি উৎপাদন ক্ষতিপূৰ্তিৰ বাবে কি কি চৰ্ত পূৰণ কৰিবলগীয়া হয়?

(iii) Distinguish between 'Rent' and 'Royalty'. 4

'ভাড়া' আৰু 'স্বত্বকৰ'ৰ মাজত থকা পাৰ্থক্যবোৰ উল্লেখ কৰা।

*Or*/অথবা

(b) Mohan Deka took a colliery from Jatin Chaudhury on lease for a period of 15 years from 1st January, 2008, on a royalty of ₹ 16 per ton of coal raised with a minimum rent of ₹ 80,000 per annum and power to recoup short-workings during the first four years of the lease.

The annual coal raised were :

Year 2008—3000 tons
Year 2009—3500 tons
Year 2010—5000 tons
Year 2011—9000 tons
Year 2012—10000 tons

www.prepnext.com

From the above particulars, prepare *(i)* Royalty Account, *(ii)* Jatin Chaudhury's Account and *(iii)* Short-workings Account in the books of Mohan Deka. 5+5+4=14

মোহন ডেকাই যতীন চৌধুৰীৰ পৰা এটা কয়লাখনি 2008 চনৰ 1 জানুৱাৰী তাৰিখৰ পৰা 15 বছৰৰ বাবে লীজত ল'লে। বছৰেকীয়া নিম্নতম খাজনা 80,000 টকাত নিৰ্দ্ধাৰিত হ'ল আৰু প্ৰতি টন উৎপাদিত কয়লাত 16 টকা দৰত স্বত্বকৰ দিয়াৰ চৰ্ত চুক্তিবদ্ধ হ'ল।

চুক্তি অনুসৰি প্ৰথম চাৰি বছৰৰ ভিতৰত স্বত্বকৰৰ পৰা হ্ৰস্ব উৎপাদনৰ পৰিমাণ আদায় লোৱাৰ অধিকাৰ থাকিব।

বাৰ্ষিক কয়লা উৎপাদনৰ পৰিমাণ :

2008 চন—3000 টন
2009 চন—3500 টন
2010 চন—5000 টন
2011 চন—9000 টন
2012 চন—10000 টন

উপৰোক্ত তথ্যৰ পৰা মোহন ডেকাৰ বহীত *(i)* স্বত্বকৰৰ হিচাপ, *(ii)* যতীন চৌধুৰীৰ হিচাপ আৰু *(iii)* ঘাটি উৎপাদনৰ হিচাপ প্ৰস্তুত কৰা।



## ( Old Course )

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

1. *(a)* Write 'Correct' or 'Incorrect' : 1×4=4

'শুদ্ধ' নে 'অশুদ্ধ' লিখা :

*(i)* Unearned Income Account is a liability.

অনুপাৰ্জিত আয়ৰ হিচাপ হৈছে এক দেয়।

*(ii)* Cost of goods sold on hire-purchase is transferred to hire-purchase Trading Account.

ভাড়া-ক্ৰয়ৰ ক্ষেত্ৰত পণ্যবস্তু বিক্ৰী ব্যয় প্ৰেৰণ কৰা হিচাপটো হৈছে ভাড়া-ক্ৰয় কিনা-বেচাৰ হিচাপ।

*(iii)* Minimum Rent is also known as 'Rock Rent' in Royalty Account.

নিম্নতম খাজনাক 'শৈল খাজনা' বুলিও কোৱা হয়।

*(iv)* When a partner is not able to meet his liabilities, he is said to be solvent.

যেতিয়া কোনো এজন অংশীদাৰে নিজৰ দেনাখিনি পৰিশোধ কৰিবলৈ অসমৰ্থ হয়, তেন্তে তেওঁক সচ্ছল বুলি গণ্য কৰা হয়।

www.prepnext.com

(b) Fill in the blanks : 1×4=4

খালী ঠাই পূৰণ কৰা :

(i) Valuation of inventories is accounted for as per the Accounting Standard _____.

মজুত সম্ভাৰৰ মূল্যায়ন হিচাপ বিদ্যাৰ _____ নং মান অনুযায়ী হিচাপত লোৱা হয়।

(ii) Hire-purchase transactions are controlled by the Hire-Purchase Act of _____.

ভাড়া-ক্ৰয়ৰ লেনদেনসমূহ ভাড়া-ক্ৰয় আইন _____ -ৰ দ্বাৰা নিয়ন্ত্ৰিত।

(iii) Royalty paid on sales is debited to _____ Account.

স্বত্বকৰ বিক্ৰীৰ ওপৰত পৰিশোধ কৰিলে _____ হিচাপত ডেবিট কৰা হয়।

(iv) If inventory at branch is shown at invoice price instead of cost price, then the account which is used for adjustment is _____ Account.

শাখাত মজুত পণ্যৰ সম্ভাৰ ক্ৰয় মূল্যৰ পৰিবৰ্তে তালিকা মূল্যত হিচাপ কৰিলে সমযোজনাৰ বাবে ব্যৱহৃত হোৱা হিচাপটো হৈছে _____ হিচাপ।



2. Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো চাৰিটা) :

(a) International Financial Reporting Standards (IFRS)

আন্তৰ্জাতিক বিত্তীয় প্ৰতিবেদ্য মানকসমূহ (IFRS)

(b) Instalment Purchase System

কিস্তি ক্ৰয় পদ্ধতি

(c) Goods-in-transit

যাত্ৰাৰত পণ্যবস্তু

(d) Lease

লীজ

(e) Rules of Garner vs. Murray

গাৰ্ণাৰ বনাম মূৰেৰ নিয়মসমূহ

3. (a) (i) What do you mean by the basic concepts and conventions of accounting? 2+2=4

হিচাপ-বিদ্যাৰ মূল ধাৰণা আৰু প্ৰথা বুলিলে কি বুজা?

(ii) Write a note on Accounting Standard Board set up in India. 4

ভাৰতবৰ্ষৰ হিচাপ-বিদ্যা মানক পৰিষদৰ বিষয়ে এটি টোকা লিখা।

www.prepnext.com

*(iii)* Distinguish between Accounting Standards and Accounting Principles. 4

হিচাপ-বিদ্যাৰ মানক আৰু হিচাপ-বিদ্যাৰ নীতিসমূহৰ মাজত থকা প্ৰভেদসমূহ উল্লেখ কৰা।

*Or / অথবা*

*(b)* Akash and Bikash are partners of a partnership business. The Trial Balance of their firm as on 31st March, 2015 was as under :

আকাশ আৰু বিকাশ এটা অংশীদাৰী ব্যৱসায়ৰ অংশীদাৰ। 2015 চনৰ 31 মাৰ্চত তেওঁলোকৰ ব্যৱসায় প্ৰতিষ্ঠানৰ উদ্বৃত্ত মিলনপত্ৰ তলত দিয়া দৰে আছিল :

*Trial Balance / উদ্বৃত্ত মিলনপত্ৰ*

| *Debit Balances* *ডেবিট স্থিতিসমূহ* | ₹ টকা | *Credit Balances* *ক্ৰেডিট স্থিতিসমূহ* | ₹ টকা |
|---|---|---|---|
| Land and Buildings মাটি আৰু ঘৰ | 40,000 | Trading Account (Gross Profit) ক্ৰয়-বিক্ৰয় হিচাপ (মুঠ লাভ) | 60,000 |
| Machinery যন্ত্ৰপাতি | 18,000 | | |
| Drawings : আহৰণ : | | Capital : মূলধন : | |
| Akash আকাশ | 2,000 | Akash আকাশ | 35,000 |
| Bikash বিকাশ | 3,500 | Bikash বিকাশ | 25,000 |
| Salaries and Wages দৰমহা আৰু মজুৰি | 3,700 | Provision for Doubtful Debts সন্দেহজনক ঋণ পুঁজি | 800 |
| Furniture আচবাব | 6,500 | General Reserve সাধাৰণ পুঁজি | 4,000 |
| Trade Expenses ব্যৱসায়িক খৰচ | 1,900 | Sundry Creditors বিবিধ পাওনাদাৰ | 15,000 |
| Sundry Debtors বিবিধ দেনাদাৰ | 24,600 | Outstanding Wages অপ্ৰদত্ত মজুৰি | 500 |
| Discount বাট্টা | 1,000 | Bank Loan (on 01.10.2014) বেংক ঋণ (01.10.2014 তাৰিখে) | 8,000 |
| Insurance বীমা | 1,200 | | |
| Advertising বিজ্ঞাপন ব্যয় | 3,000 | | |
| Cash at Bank বেংকত জমা | 2,900 | | |
| Bills Receivable প্ৰাপ্য বিল | 4,000 | | |
| Closing Stock (on 31.03.2015) সামৰণী মজুত পণ্য (31.03.2015 তাৰিখে) | 36,000 | | |
| | 1,48,300 | | 1,48,300 |



www.prepnext.com

Prepare a Profit & Loss Account and a Profit & Loss Appropriation Account for the year ended 31st March, 2015 and a Balance Sheet as on that date considering the following adjustments : 5+2+5=12

31 মাৰ্চ, 2015 তাৰিখত অন্ত পৰা বছৰটোৰ বাবে এখন লাভ-লোকচানৰ হিচাপ আৰু লাভ-লোকচান সময়োজনাৰ হিচাপ আৰু উক্ত তাৰিখত এখন উদ্বৃত্ত-পত্ৰ তলত দিয়া সময়োজনাসমূহ বিবেচনা কৰি প্ৰস্তুত কৰা :

*(i)* Write off bad debts ₹ 600 and provide for doubtful debts @ 5% on remaining debtors

600 টকা অনুদ্ধাৰণীয় ঋণ হিচাপে অৱলোপন কৰিব লাগে আৰু অৱশিষ্ট দেনাদাৰৰ ওপৰত 5% হাৰত সন্দেহজনক ঋণ পুঁজি গঠন কৰিব লাগে

*(ii)* Provide for interest on capital @ 5% per annum

অংশীদাৰসকলৰ মূলধনৰ ওপৰত বছৰি 5% হাৰে সুদ ধৰিব লাগে

*(iii)* Provide for interest on bank loan @ 10% per annum

বেংক ঋণৰ ওপৰত বছৰি 10% হাৰত সুদ ধৰিব লাগে



*(iv)* Provide depreciation @ 10% p.a. on land and buildings, @ 12½% p.a. on machinery and @ 5% p.a. on furniture

মাটি আৰু ঘৰৰ ওপৰত বছৰি 10% হাৰত, যন্ত্ৰপাতিৰ ওপৰত 12½% হাৰত আৰু আচবাবৰ ওপৰত 5% হাৰত অৱচয় ধাৰ্য কৰিব লাগে

*(v)* Write off ¼th of advertising

বিজ্ঞাপন ব্যয়ৰ ¼ অংশ বিলোপ কৰিব লাগে

**4.** *(a)* Distinguish between credit sale and sale under hire-purchase system. Mention any three rights of hire seller and three rights of hire purchaser as laid down in the Hire-Purchase Act, 1972. 5+3+3=11

বাকীত কৰা বিক্ৰী আৰু ভাড়া-ক্ৰয় পদ্ধতিত কৰা বিক্ৰীৰ মাজত থকা পাৰ্থক্যসমূহ উল্লেখ কৰা। ভাড়া-ক্ৰয় আইন, 1972-ত সন্নিৱিষ্ট ভাড়া-বিক্ৰেতা আৰু ভাড়া-ক্ৰেতাৰ প্ৰত্যেকৰে তিনিটাকৈ অধিকাৰৰ বিষয়ে লিখা।

*Or / অথবা*

*(b)* Kumarendra purchased a motor-cycle on hire-purchase system from

www.prepnext.com

M/s. Bora & Co. The terms of hire-purchase are :

| | ₹ |
|---|---|
| Down payment | 40,000 |
| 1st instalment | 43,500 |
| 2nd instalment | 39,000 |
| 3rd instalment | 34,500 |

All instalments are payable at the end of the year and each instalment includes equal amount of cash price in addition to interest.

Prepare necessary Ledger Accounts in the books of the Buyer. 11

কুমাৰেন্দ্ৰই মেচাৰ্চ বৰা এণ্ড কোম্পানীৰ পৰা এখন মটৰ-চাইকেল ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰয় কৰে। ক্ৰয়ৰ চৰ্তসমূহ হ'ল :

| | ₹ (টকা) |
|---|---|
| তৎকালিন পৰিশোধ | 40,000 |
| প্ৰথম কিস্তি পৰিশোধ | 43,500 |
| দ্বিতীয় কিস্তি পৰিশোধ | 39,000 |
| তৃতীয় কিস্তি পৰিশোধ | 34,500 |

সকলো কিস্তি বছৰৰ অন্তত পৰিশোধ কৰিব লাগিব। প্ৰতি কিস্তিত সুদৰ বাহিৰেও নগদ মূল্যৰ সমান অংশ থাকিব।

ক্ৰেতাৰ বহীত প্ৰয়োজনীয় খতিয়ান হিচাপ প্ৰস্তুত কৰা।



5. *(a)* *(i)* What do you mean by inter-branch transactions? Mention about the different methods of recording such transactions. 2+4=6

আন্তঃশাখা লেনদেন বুলিলে কি বুজা? এনেধৰণৰ লেনদেনসমূহ লিপিবদ্ধ কৰা পদ্ধতিসমূহ উল্লেখ কৰা।

*(ii)* Discuss about the main objectives of Branch Accounts. 5

শাখা হিচাপৰ মুখ্য উদ্দেশ্যসমূহ উল্লেখ কৰা।

*Or / অথবা*

*(b)* Jorhat Head Office sent out goods to its Golaghat Branch at cost plus 25%. The branch remits all cash received to the Head Office and all expenses of the branch are met by the Head Office. From the following particulars, prepare *(i)* Golaghat Branch Account showing the profit or loss at the branch, *(ii)* Goods sent to Branch Account and *(iii)* Branch Debtors Account in the books of the Head Office : 5+3+3=11

যোৰহাট মুখ্য কাৰ্যালয়ে ইয়াৰ গোলাঘাট শাখালৈ ক্ৰয় মূল্যৰ লগত 25 শতাংশ যোগ কৰি পণ্যবস্তু প্ৰেৰণ কৰে। শাখা প্ৰতিষ্ঠানে পোৱা সকলোবোৰ নগদ ধন মুখ্য

www.prepnext.com

কার্যালয়লৈ প্ৰেৰণ কৰে আৰু শাখাৰ সকলো ব্যয় মুখ্য কার্যালয়ে বহন কৰে। তলত দিয়া বিৱৰণৰ পৰা মুখ্য কার্যালয়ৰ বহীত *(i)* শাখা প্ৰতিষ্ঠানত হোৱা লাভ বা লোকচানৰ পৰিমাণ দেখুৱাই গোলাঘাট শাখাৰ হিচাপ, *(ii)* শাখালৈ প্ৰেৰিত পণ্যবস্তুৰ হিচাপ আৰু *(iii)* শাখাৰ দেনাদাৰৰ হিচাপ প্ৰস্তুত কৰা :

| | | ₹ (টকা) |
|---|---|---|
| Stock at branch on 01.04.2014 (Invoice price)<br>01.04.2014 তাৰিখে শাখাৰ মজুত সম্ভাৰ (চালান মূল্য) | | 17,500 |
| Stock at branch on 31.03.2015 (Invoice price)<br>31.03.2015 তাৰিখে শাখাৰ মজুত সম্ভাৰ (চালান মূল্য) | | 18,750 |
| Goods sent to branch during the year (Invoice price)<br>বছৰটোত শাখালৈ প্ৰেৰিত পণ্যবস্তু (চালান মূল্য) | | 13,75,000 |
| Goods returned by the branch (Invoice price)<br>শাখাৰ পৰা ফিৰৎ পঠোৱা পণ্যবস্তু (চালান মূল্য) | | 75,000 |
| Cash Sales<br>নগদ বিক্ৰী | | 3,00,000 |
| Credit Sales<br>বাকী বিক্ৰী | | 9,98,750 |
| Goods returned by customers<br>গ্ৰাহকৰ পৰা ফিৰৎ অহা পণ্যবস্তু | | 40,000 |
| Discount and allowances to customers<br>গ্ৰাহকক প্ৰদান কৰা বাট্টা আৰু ৰেহাই | | 60,000 |
| Bad Debts<br>অনুদ্ধাৰণীয় ঋণ | | 5,000 |
| Cash received from customers<br>গ্ৰাহকৰ পৰা প্ৰাপ্ত ধন | | 10,45,000 |
| Sundry Debtors as on 01.04.2014<br>01.04.2014 তাৰিখে বিবিধ দেনাদাৰ | | 2,40,000 |
| Cheques sent to branch :<br>শাখালৈ ধনাদেশ পঠিওৱা হ'ল : | | |
| For Salary<br>দৰমহাৰ বাবদ | 1,00,000 | |
| For Rent<br>ভাড়াৰ বাবদ | 24,000 | |
| For Sundry Expenses<br>বিভিন্ন ব্যয়ৰ বাবদ | 25,000 | 1,49,000 |



**6.** *(a)* *(i)* What is 'minimum rent' in Royalty Account? Why is it important in Royalty Account? 3+3=6

স্বত্বকৰৰ হিচাপত 'নিম্নতম খাজনা' কি? স্বত্বকৰৰ হিচাপত ইয়াৰ গুৰুত্বৰ কাৰণ কি?

*(ii)* What do you mean by 'recoupment of shortworkings'? What conditions are to be fulfilled for recoupment of shortworkings? 2+3=5

www.prepnext.com

'হ্ৰস্ব-উৎপাদন ক্ষতিপূৰ্তি' বুলিলে কি বুজা? হ্ৰস্ব-উৎপাদন ক্ষতিপূৰ্তিৰ বাবে কি কি চৰ্ত পূৰণ কৰিবলগীয়া হয়?

*Or / অথবা*

*(b)* Raju took a lease of a mine on 01.01.2011 for a period of 20 years. Royalty payable is ₹ 1 per ton subject to a minimum rent of ₹ 12,000 per annum. The shortworkings are recoupable during the first three years of the lease. The output was :

| | *Tons* |
|---|---|
| Year 2011 | NIL |
| Year 2012 | 4000 |
| Year 2013 | 20000 |
| Year 2014 | 40000 |

Give Journal Entries in the books of Raju to record the above transactions. 11

ৰাজুৱে এটা কয়লাখনি 01.01.2011 তাৰিখে 20 বছৰৰ কাৰণে লীজত লৈছিল। বাৰ্ষিক নিম্নতম খাজনা 12,000 টকাৰ চৰ্তত প্ৰতি টনত 1 টকাকৈ স্বত্বকৰ পৰিশোধ কৰিব লাগিব। প্ৰথম তিনিটা বছৰত হ্ৰস্ব উৎপাদনৰ ক্ষতিপূৰ্তি কৰাৰ অধিকাৰ থাকিব।



কয়লাখনিৰ পৰা আহৰণ কৰা কয়লাৰ পৰিমাণ এনে-ধৰণৰ :

| | *টন* |
|---|---|
| 2011 চন | সামগ্ৰী বিহীন |
| 2012 চন | 4000 |
| 2013 চন | 20000 |
| 2014 চন | 40000 |

ৰাজুৰ বহীত উক্ত তথ্যসমূহৰ জাবেদা প্ৰৱিষ্টিসমূহ লিখা।

**7.** *(a)* What do you mean by 'amalgamation'? What are the different methods of amalgamation? Mention about the objectives and advantages of amalgamation. 2+3+3+3=11

'একত্ৰিকৰণ' বুলিলে কি বুজা? একত্ৰিকৰণৰ বিভিন্ন পদ্ধতিসমূহ কি কি? একত্ৰিকৰণৰ উদ্দেশ্য আৰু সুবিধাসমূহ উল্লেখ কৰা।

*Or / অথবা*

*(b)* In a partnership firm, Arun and Barun are sharing profits and losses in the ratio of 5 : 3. They decided to dissolve their firm as on 31st March, 2015. Their Balance Sheet as on 31st March, 2015 is given below :



www.prepnext.com

এখন অংশীদাৰী প্ৰতিষ্ঠানত অৰুণ আৰু বৰুণৰ লাভ-লোকচানৰ অনুপাত 5 : 3. 2015 চনৰ 31 মাৰ্চ তাৰিখত তেওঁলোকৰ ব্যৱসায়টো অৱসান ঘটাবলৈ সন্মত হয়। 2015 চনৰ 31 মাৰ্চ তাৰিখে তেওঁলোকৰ বিত্তীয় অৱস্থা তলত দিয়া হ'ল :

*Balance Sheet / উদ্বৃত্ত-পত্ৰ*

| *Liabilities* / *দেয়* | | ₹ / টকা | *Assets* / *সম্পত্তি* | ₹ / টকা |
|---|---|---|---|---|
| Creditors / পাওনাদাৰ | | 9,316 | Goodwill / সুনাম | 4,000 |
| Loan from Arun / অৰুণৰ পৰা ঋণ | | 3,684 | Furniture / আচবাব | 1,000 |
| Loan from Barun / বৰুণৰ পৰা ঋণ | | 600 | Machinery / যন্ত্ৰপাতি | 2,000 |
| Capital : / মূলধন : | | | Inventory / পণ্যসম্ভাৰ | 9,200 |
| Arun / অৰুণ | 8,000 | | Debtors / দেনাদাৰ | 10,000 |
| Barun / বৰুণ | 5,400 | 13,400 | Cash / নগদ ধন | 800 |
| | | 27,000 | | 27,000 |

The assets realised as follows :

| | ₹ |
|---|---|
| Goodwill | 2,600 |
| Furniture | 900 |
| Inventory | 8,300 |
| Debtors | 10,200 |
| Machinery | 8,800 |



Creditors were paid ₹ 9,120 in full settlement of their claim. Realisation expenses amounted to ₹ 110. A bill for ₹ 130 due for sales tax was received during the course of realisation and this was also paid. Close the books of the firm. 11

সম্পত্তিবোৰ তলত দিয়া দৰে আদায় হ'ল :

| | ₹ (টকা) |
|---|---|
| সুনাম | 2,600 |
| আচবাব | 900 |
| পণ্যসম্ভাৰ | 8,300 |
| দেনাদাৰ | 10,200 |
| যন্ত্ৰপাতি | 8,800 |

পাওনাদাৰক সম্পূৰ্ণ আদায় দিবৰ বাবে 9,120 টকা পৰিশোধ কৰা হ'ল। আদায়কৰণ ব্যয় হ'ল 110 টকা। 130 টকাৰ বিক্ৰী কৰ দেয় বুলি বিল পাই পৰিশোধ কৰা হ'ল। অনুষ্ঠানটোৰ বহীসমূহ সামৰণী কৰা।

★★★

www.prepnext.com